**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-01-2025 **Time :** 0755 Hrs.

## <u>Assamese Morning Bulletin</u>

পথৰুঘাটৰ কৃষক ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদনৰ উদ্দেশ্যে দৰঙত তিনিদিনীয়াকৈ অনুষ্ঠিত ১৩১ সংখ্যক কৃষক ছহিদ দিৱসৰ আজি অন্তিম দিনা বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। আজি পুৱাৰ ভাগত কৃষক ছহিদ সমাধিত শ্ৰদ্ধাঞ্জলি, ছহিদ তৰ্পণ আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ পাছত দিনৰ চাৰে ১১ বজাত মুকলি সভাৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলগীয়া এই সভাত কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক আৰু পৰ্যটন দপ্তৰৰ মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্য চৰকাৰৰ কৃষি মন্ত্ৰী অতুল বৰা আৰু দৰং জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ স্মৃতি সুঁৱৰি ডাক বিভাগে প্ৰকাশ কৰা এটা বিশেষ ডাকটিকটো আজিৰ মুকলি সভাতে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই আনুষ্ঠানিকভাৱে উন্মোচন কৰিব। অনুষ্ঠানৰ অংশ হিচাপে সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে।

উল্লেখযোগ্য যে ব্ৰিটিছ শাসকে বৰ্ধিত হাৰত অন্যায়ভাৱে মাটিৰ খাজনা আৰোপ কৰাৰ বিৰুদ্ধে নিৰস্ত্ৰ প্ৰতিবাদ কৰিবলৈ গৈ ১৮৯৪ চনৰ ২৮ জানুৱাৰীত দৰং জিলাৰ পথৰুঘাটত ১৪০ গৰাকী কৃষক ছহিদে আৰক্ষীৰ গুলীত প্ৰাণ হেৰুৱাইছিল। এই কৃষক ছহিদসকলৰ স্মৃতিত প্ৰতি বছৰে কৃষক ছহিদ দিৱস পালন কৰি অহা হৈছে।

oooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি হোজাই জিলাত প্ৰথমবাৰৰ বাবে উপস্থিত হৈ জিলাখনৰ বিভিন্ন উন্নয়নমূলক কামকাজৰ বুজ লয়। শ্ৰী আচাৰ্যই জিলা প্ৰশাসনৰ বিষয়ববীয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ বিভিন্ন বিভাগে ৰূপায়ণ কৰি থকা কামকাজসমূহ পৰ্যালোচনা কৰে। হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষ আৰু লামডিঙৰ বিধায়ক শিবু মিশ্ৰৰ উপস্থিতিত জিলাখনৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে ৰাজ্যপালগৰাকীক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, শিক্ষা, জনস্বাস্থ্য কাৰিকৰী, কৃষি, বন, জলসিঞ্চনকে ধৰি কেইবাটাও বিভাগৰ অধীনত ৰূপায়িত হৈ থকা কামকাজৰ খতিয়ান দাঙি ধৰে। শ্ৰী আচাৰ্যই অমৃত সৰোবৰ প্ৰকল্পৰ বিষয়ে বুজ লৈ এই সৰোবৰসমূহক সামূহিক স্থান হিচাপে গঢ়ি তোলাৰ উপৰি পৰিৱেশ সংৰক্ষণৰ দিশৰ পৰা কেতবোৰ লেখতল'বলগীয়া কাম কৰিবলৈ পৰামৰ্শ দিয়ে। এই সৰোবৰ সমূহৰ পাৰত গছপুলি ৰোপণৰ উপৰি পতাকা উত্তোলন, প্ৰধানমন্ত্ৰীৰ মন কি বাত কাৰ্যসূচী সমূহীয়াভাৱে শুনাৰ ব্যৱস্থাকে ধৰি কেতবোৰ কাম কাজ কৰিবলৈ তেওঁ পৰামৰ্শ দিয়ে।

ooooooo

শিৱসাগৰত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভা অনুষ্ঠিত হৈছে। তলাতল ঘৰ প্ৰাংগণত স্বৰ্গদেউ চাওলুং চ্যুকাফা সমন্বয় ক্ষেত্ৰ উদ্বোধন আৰু তোৰণ মুকলি কৰি এই সভাৰ শুভাৰম্ভ কৰা হয়। কালি প্ৰথম দিনা উজনিয়াল সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তই সমন্বয় ক্ষেত্ৰ আৰু তোৰণ আনুষ্ঠানিকভাৱে

মুকলি কৰে। ইয়াৰ পাছত ছাত্ৰ সংগঠনটোৰ সভাপতি উৎপল শৰ্মাই পতাকা উত্তোলন কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীশৰ্মাই অসম চুক্তিৰ প্ৰতিটো দফা ৰূপায়ণৰ দাবী কৰাৰ লগতে দশম শ্ৰেণী পৰ্যন্ত অসমীয়া বিষয়ক বাধ্যতামূলক কৰাৰ প্ৰয়োজন সন্দৰ্ভত আলোকপাত কৰে। কালি প্ৰতিনিধি সভাত সংগঠনটোৰ পৰৱৰ্তী সাধাৰণ সম্পাদক হিচাপে সমীৰণ ফুকনক বাছনি কৰা হয়। আজি দ্বিতীয় দিনা ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিক প্ৰতিফলিত কৰি এটা বিশাল শোভাযাত্ৰা উলিওৱা হ'ব।

০০০০০০০

অসমৰ লোকসংস্কৃতিলৈ অভূতপূৰ্ণ বৰঙণি আগবঢ়োৱা লোকশিল্পী মৃদুল কুমাৰ দাসক কালি কবি আনন্দ চন্দ্ৰ বৰুৱাৰ স্মৃতিত বকুলবন বঁটা আগবঢ়োৱা হয়। বকুলবন ন্যাসৰ উদ্যোগত যোৰহাটৰ মহাপুৰুষ শংকৰদেৱ কলাকৃষ্টি আৰু গৱেষণা কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত অসম সাহিত্য সভাৰ নৱ নিৰ্বাচিত সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে লোকশিল্পীগৰাকীক এই বঁটা প্ৰদান কৰে। এই বঁটাত আছে- এখন গামোচা, এখন চেলেং, এটা স্মাৰক, এখন প্ৰশস্তিপত্ৰ, অংগবস্ত্ৰ আৰু নগদ ধন।

০০০০০০০

হোজাইৰ ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ দ্বিতীয় দীক্ষান্ত সমাৰোহ আজি শিক্ষানুষ্ঠানখনৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ চৌহদত আয়োজন কৰা হৈছে। বিশ্ববিদ্যালয়ৰ আচাৰ্য ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ অধ্যক্ষতাত আজি দিনৰ ভাগত আয়োজিত অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয় উপাচাৰ্য ড০ ননী গোপাল মহন্তই মূল বক্তৃতা আগবঢ়াব। এই অনুষ্ঠানতে অসমীয়া ভাষা সংস্কৃতিলৈ আগবঢ়োৱা বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক, ভাষা সংস্কৃতিৰ গৱেষক ড০ উপনে ৰাভা হাকাচামলৈ জীৱন যোৱা সাধনা বঁটা আগবঢ়োৱা হ'ব। এই সমাৰোহত তিনিটা সোণৰ পদকসহ  স্নাতকোত্তৰ শ্ৰেণীৰ ৮১ জন আৰু স্নাতক শ্ৰেণীৰ ৪৫৯ গৰাকী ছাত্ৰ-ছাত্ৰীক দীক্ষান্ত প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০০

৭০ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ হাইলাকান্দি জিলা পৰ্যায়ৰ খেল কাইলৈৰ পৰা জিলাখনৰ নেতাজী সুভাষ চন্দ্ৰ বসু ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতা মুঠ ৮ টা দলে অংশগ্ৰহণ কৰিব। উদ্বোধনী খেলত ইনছাফ ক্লাব, আলগাপুৰ ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পৰহিলৈৰ পৰা প্ৰতিদিনে দুখনকৈ খেল অনুষ্ঠিত হ'ব। ৫ ফেব্ৰুৱাৰীত প্ৰতিযোগিতাৰ দুখন চেমিফাইনেল আৰু ৭ ফেব্ৰুৱাৰীত ফাইনেল খেল অনুষ্ঠিত হ'ব।

০০০০০০০

**সমাপ্ত**